بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৫ নৱেম্বৰ ২০২২ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

**আঁহজৰত (ছাঃ)ৰ মহান মৰ্যাদাপ্ৰাপ্ত খলিফা ৰাশিদ ছৈয়দিনা হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ৰ গুণাৱলীৰ ঈমান উদ্দীপক ঘটনাৱলী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ۔ الرَّحْمٰنِ الرَّحِيْمِ ۔ مٰلِكِ يَوْمِ الدِّيْنِ ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ জীৱনীৰ বিভিন্ন দিক সমূহৰ বিষয়ে বৰ্ণনা হৈ আছিল। এই সন্দৰ্ভত তেখেতৰ মানৱ সেৱা আৰু অনাথ সকলৰ খাদ্যৰ যোগান ধৰোতাৰ বিষয়ে উল্লেখ পোৱা যায় যে  ইছলাম গ্ৰহণ কৰাৰ আগতেও হজৰত আবু বক্কৰ (ৰাঃ)য়ে কুৰাইছ্ সকলৰ মাজত উত্তম লোক সকলৰ মাজত অন্তৰ্ভুক্ত আছিল। লোক সকলৰ যিবোৰ অসুবিধা আহিছিল লোক সকলে তেখেতৰ পৰা সহায় লৈছিল; মক্কাত বিশাল আকাৰত নিমন্ত্ৰণ আৰু অতিথি সকলৰ আপ্যায়ন কৰিছিল। অজ্ঞতাৰ যুগত কুৰাইশ সকলৰ মাজত পৃথক আৰু উত্তম লোক সকলৰ মাজৰ অন্তৰ্ভুক্ত আছিল। লোক সকলে কোনো সমস্যাৱলীৰ সময়ত তেখেতৰ পৰা সমাধা বিচাৰিছিল। হজৰত আবু বক্কৰ (ৰাঃ) দুখীয়া আৰু অনাথ সকলৰ প্ৰতি দয়ালু আছিল। ঠাণ্ডাৰ সময়ত কম্বল ক্ৰয় কৰি অনাথ সকলৰ মাজত বিতৰণ কৰিছিল।

এটা ৰিৱায়তত পোৱা যায় যে খলিফাৰ আসনত অধিষ্ঠিত হোৱাৰ পূৰ্বে তেখেত (ৰাঃ)য়ে এজন উত্তৰাধিকাৰী নথকা পৰিয়ালৰ ছাগলীৰ গাখীৰ ধোৱাইছিল। খলিফা হোৱাৰ পিছতও ছয় মাহলৈকে মদিনাত অৱস্থান কৰাৰ আগলৈকে এই সেৱা আগবঢ়াই থাকিছিল। হজৰত উমৰ (ৰাঃ)ৰ প্ৰতিৱেশী মদিনাত অৱস্থান কৰা এজনী বয়জ্যেষ্ঠ আৰু অন্ধ মহিলাৰ প্ৰতি তেখেতে লক্ষ্য ৰাখিছিল। তেখেত (ৰাঃ)য়ে তাইৰ কাৰণে পানীৰ ব্যৱস্থা কৰিছিল আৰু তাইৰ কামবোৰ কৰি দিছিল। এদিনাখন যেতিয়া তেখেত (ৰাঃ)য়ে তাইৰ ঘৰলৈ যায় তেতিয়া জানিব পাৰে যে কোনো ব্যক্তিয়ে তেখেত (ৰাঃ)ৰ আগতেই আহি কামবোৰ সম্পূৰ্ণ কৰিছে। আগদিনাখন তেখেত (ৰাঃ)য়ে সোনকালে তাইৰ ঘৰলৈ যায় আৰু এঠাইত পলায়ন কৰি বহি থাকে তাৰ পিছত দেখিবলৈ পায় যে এইজন হজৰত আবু বক্কৰ (ৰাঃ) যিজনে সেই

বয়জ্যেষ্ঠ মহিলাৰ ঘৰত যোৱা কৰিছিল সেই সময়ত হজৰত আবু বক্কৰ (ৰাঃ) খলিফা আছিল। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে কয় যে আল্লাহৰ শপত ! এইজন ব্যক্তি আপুনিয়ে হ'ব পাৰে অৰ্থাৎ মোতকৈ পুণ্য কামত অগ্ৰগতি লাভ কৰা কেৱল আপুনি হয়।

এটা ৰিৱায়তত পোৱা যায় যে হজৰত আব্দুৰ ৰহমান বিন আবি বক্কৰ (ৰাঃ)য়ে কৈছে যে এবাৰ নবী কৰিম (ছাঃ)য়ে কৈছে যে যাৰ ওচৰত দুজন লোকৰ খাদ্য আছে সেইজন তৃতীয় ব্যক্তিক লৈ যাওঁক, যাৰ ওচৰত চাৰিজনৰ খাদ্য আছে সেইজনে পাঁচজন ব্যক্তিক লৈ যাওঁক। হজৰত আবু বক্কৰ (ৰাঃ)য়ে তিনিজন ব্যক্তিক লৈ আহিলে আৰু নবী কৰিম (ছাঃ)য়ে দহ জন ব্যক্তিক লৈ গলে। হজৰত আবু বক্কৰ (ৰাঃ)য়ে খাদ্য উত্থাপন কৰিলে আৰু অতিথি সকলে আহাৰ কৰাৰ পিছতও সিমানখিনি আহাৰ বাচি গৈছিল যিমানখিনি আগতে আছিল,বৰং তাতোকৈ তিনি গুণ বেছি। হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)য়ে সেই খাদ্য নবী কৰিম (ছাঃ)ৰ ঘৰলৈ লৈ যায় আৰু তাতেও উল্লেখিত হোৱা মতে লোক সকলক আহাৰ কৰোৱালে। এই বৰকত আল্লাহ তা'লাই হজৰত আবু বক্কৰ (ৰাঃ)ৰ খাদ্যত প্ৰদান কৰিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বয়ান কৰিছে যে হজৰত আবু বক্কৰ (ৰাঃ)ৰ ল'ৰা হজৰত আব্দুৰ ৰহমান (ৰাঃ)ও খলিফাৰ যোগ্য আছিল। লোকসকলে কলে যে তেখেতৰ মস্তিষ্ক হজৰত উমৰ (ৰাঃ)তকৈ বেছি কোমল; আৰু যোগ্যতাও তেখেততকৈ কম নহয়। সেই কাৰণে তেখেত হজৰত আবু বক্কৰ (ৰাঃ)ৰ পিছত খলিফা হোৱা উচিত। কিন্তু হজৰত আবু বক্কৰ (ৰাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক খলিফা নিৰ্বাচিত কৰিলে, হজৰত আবু বক্কৰ (ৰাঃ)আৰু হজৰত উমৰ (ৰাঃ)ৰ প্ৰকৃতিত প্ৰাৰ্থক্য থকা সত্ত্বেও । হজৰত আবু বক্কৰ (ৰাঃ)য়ে কোনো খলিফাৰ পৰা নিজস্ব লাভালাভ উঠোৱা নাছিল, বৰং মানৱ সেৱাৰ প্ৰতি বেছি ধ্যান দিছিল। চুফী সকলৰ এটা ৰিৱায়ত পোৱা যায় যে হজৰত উমৰ (ৰাঃ)য়ে হজৰত আবু বক্কৰ (ৰাঃ)ৰ এজন কৃতদাসক সুধিছিল যে কি কি কাম তোমাৰ মালিকে কৰে, যাতে মইয়ো সেই কাম কৰিব পাৰো। কৃতদাস জনে কয় যে হজৰত আবু বক্কৰ (ৰাঃ) প্ৰত্যেক দিন ৰুটি লৈ অমুক ফালে যোৱা কৰে। হজৰত উমৰ (ৰাঃ)য়ে সেই কৃতদাসৰ সৈতে সেইফালে খাদ্য লৈ যাব ধৰিলে ইমানতে দেখিবলৈ পায় যে এটা গুহাত এজন লেঙেৰা আৰু অন্ধ যাৰ হাত ভৰি নাছিল বহি আছে। হজৰত উমৰ (ৰাঃ)য়ে তেওঁৰ মুখত এমুঠি আহাৰ খোৱালে তেতিয়া তেওঁ কান্দি কান্দি কয় আল্লাহ তা'লা হজৰত আবু বক্কৰ (ৰাঃ)ৰ ওপৰত দয়া কৰক যে তেখেত কেনেকুৱা মানৱ আছিল। হজৰত উমৰ (ৰাঃ)য়ে সুধিলে যে তুমি কেনেকৈ জানিব পাৰিলা যে হজৰত আবু বক্কৰ (ৰাঃ)মৃত্যু বৰণ কৰিছে ? তেওঁ কলে যে মোৰ মুখত দাঁত নাই এই কাৰণে আবু বক্কৰ (ৰাঃ)য়ে খাদ্যবোৰ চবাই মোৰ মুখত দিছিল। আজিৰ খাদ্যবোৰ টান সেই কাৰণে জানিব পাৰিলো যে মোৰ মুখত খাদ্য দিওঁতা জন আন কোনো ব্যক্তি হয়, হজৰত আবু বক্কৰ (ৰাঃ) কেতিয়াও হঠাতে অহা নাছিল, আজি হঠাতে কোনোবা আহিছে তেন্তে হজৰত আবু বক্কৰ নিশ্চয় পৃথিৱীৰ পৰা বিদায় লৈছে। গতিকে সেয়া কি বস্তু আছিল যি বাদশ্বাহৰ পৰা হজৰত আবু বক্কৰ (ৰাঃ)য়ে অৰ্জন কৰিছিল ? এটা প্ৰাৰ্থক্য আছিল সেয়া আছিল মানৱ সেৱা।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে আল্লাহৰ অধিকাৰ আৰু ভৃত্যৰ অধিকাৰ এই উভয় চৰিয়তৰ দুটা ভাগ হয়। আঁহজৰত (ছাঃ)ক চোৱা যে কিমানে গোটেই জীৱন সেৱা কৰি অতিবাহিত

কৰিছে। হজৰত আলি (ৰাঃ)ৰ অৱস্থা চাওঁক যে ইমান জোৰা লগাইছিল যে কোনো ঠাই বাকী নাছিল। হজৰত আবু বক্কৰ (ৰাঃ)য়ে এজনী বয়জ্যেষ্ঠ মহিলাক হালৰা খোৱাই থাকিছিল। চিন্তা-ভাৱনা কৰা এয়া কেনে ধৰণৰ প্ৰতিশ্ৰুতিবদ্ধ আছিল। যেতিয়া আবু বক্কৰ (ৰাঃ)য়ে মৃত্যু বৰণ কৰে তেতিয়া সেই বয়জ্যেষ্ঠ মহিলাজনীয়ে কয় আজি আবু বক্কৰ (ৰাঃ)য়ে মৃত্যু বৰণ কৰিছে। প্ৰতিৱেশীয়ে সুধিলে যে তোমাৰ ইলহাম হৈছে নেকি। তাই কয়, নহয় বৰং আবু বক্কৰ (ৰাঃ)য়ে হালৰা লৈ অহা নাই। সেই কাৰণে জানিব পাৰিলো যে তেখেত (ৰাঃ) মৃত্যু বৰণ কৰিছে। কাৰণ মোৰ জীৱন কালত এয়া ভৰা নাছিলো যে কোনো পৰ্যায়তে মোলৈ হালৰা আহি নাপাব। চাওঁক কেনে ধৰণৰ সেৱা আছিল এনেকুৱাই সকলোৱে সেৱা কৰা উচিত।

হজৰত আবু বক্কৰ (ৰাঃ)ৰ বীৰত্ব আৰু বাহাদুৰী এটা প্ৰতীক আছিল। ইছলাম বা নবী কৰিম (ছাঃ)ৰ ভালপোৱাৰ খাতিৰে ভয়ঙ্কৰ বিপদৰ সময়ত পিছহুহুঁকি যোৱা নাছিল। মক্কাত অৱস্থান কৰা সময়ত যেতিয়া নবী কৰিম (ছাঃ)ৰ ওপৰত কোনো কষ্ট বা বিপদ দেখা পাইছিল তেতিয়া তেখেত (ছাঃ)ৰ সুৰক্ষাৰ বাবে দিৱাল হৈ থিয় হৈছিল। শ্বাবে আবি তালিবত তিনি বছৰলৈকে কয়েদী অৱস্থাত আছিল তেতিয়া দৃঢ় সংকল্পৰ সৈতে প্ৰতিষ্ঠিত থাকিছে। প্ৰব্ৰজন কৰা সময়তো নিজৰ প্ৰাণৰ ভয় থকা সত্বেও হুজুৰ (ছাঃ)ক সুৰক্ষা কৰিছে। যিমান যুদ্ধ সংঘটিত হৈছে সেই যুদ্ধবোৰত তেখেত (ৰাঃ)য়ে কেৱল অংশ গ্ৰহণ কৰাই নাছিল, বৰং হুজুৰ (ছাঃ)ৰ সুৰক্ষাৰ বাবে প্ৰস্তুত থাকিছিল।

হজৰত আলি (ৰাঃ)য়ে এবাৰ লোক সকলক সুধিলে যে সকলোতকৈ বৈছি বাহাদুৰ কোনে হয় ? তেতিয়া লোক সকলে ক'ব ধৰিলে তেখেত (ৰাঃ); কিন্তু হজৰত আলি (ৰাঃ)য়ে কলে সকলোতকৈ বেছি বাহাদুৰ হজৰত আবু বক্কৰ (ৰাঃ); কাৰণ বদৰৰ যুদ্ধত ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত তৰোৱাল লৈ থিয় হৈ থাকিছে এই কাৰণে যে ৰছুলে কৰিম (ছাঃ)ৰ কাষলৈ কোনো পৌত্তলিক অহাৰ লগতেই সিহঁতে তেখেতৰ সৈতে মোকাবিলা কৰিব। এইদৰে উহুদৰ যুদ্ধত যেতিয়া ৰছুলুল্লাহ (ছাঃ)ৰ শ্বহীদ হৈ যোৱাৰ ভূৱা খবৰ বিস্তাৰিত হয়,তেতিয়া পোনপ্ৰথমে হজৰত আবু বক্কৰ (ৰাঃ)য়ে সমাৱেশৰ মাজেদি দ্ৰুত গতিত ৰছুলুল্লাহ (ছাঃ)ৰ কাষলৈ গৈ পায়। সেই সময়ত ৰছুলে কৰিম (ছাঃ)ৰ ওচৰত কেৱল ১১ (এঘাৰ) জন চাহাবা উপস্থিত আছিল, সিহঁতৰ মাজত হজৰত আবু বক্কৰ (ৰাঃ)ৰ নামও আছিল। উহুদৰ যুদ্ধত আঁহজৰত (ছাঃ)ৰ পহৰাত উপত্যকাত উপস্থিত থকা প্ৰাণ বিসৰ্জনকাৰীৰ মাজত হজৰত আবু বক্কৰ (ৰাঃ)ও আছিল। খন্দকৰ যুদ্ধত হজৰত আবু বক্কৰ (ৰাঃ)য়ে ৰছুলে কৰিম (ছাঃ)ৰ লগতে আছিল। ছুলাহ হুদায়বিয়াৰ সময়ত প্ৰাণ বিসৰ্জন দিওঁতা বয়াতকাৰীৰ মাজত তেখেত (ৰাঃ)ও অন্তৰ্ভুক্ত আছিল; কিন্তু ছুলাহ হুদায়বিয়াৰ সময়ত যেতিয়া সন্ধি লিখা হৈছিল সেই সময়ত হজৰত আবু বক্কৰ (ৰাঃ)য়ে যি ঈমান, দৃঢ়তা আৰু আনুগত্য ৰছুলে কৰিম (ছাঃ)ৰ প্ৰতি দেখুৱাইছিল সেয়া হজৰত উমৰ (ৰাঃ)য়ে নিজৰ জীৱন কালতে পাহৰি যোৱা নাছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে বয়ান কৰিছে যে এবাৰ কাফিৰ সকলে আঁহজৰত (ছাঃ)ৰ ডিঙিত ছাদৰেৰে মেৰোৱাই প্ৰবল বেগে টানিব ধৰে যেতিয়া হজৰত আবু বক্কৰ (ৰাঃ)য়ে অৱগত হয় তেতিয়া দৌৰি আহে আৰু কাফিৰ সকলক আঁতৰ কৰি কয় হে লোক সকল ! তোমালোকে ভয় নকৰা নে যে তোমালোকে এনেকুৱা এজন ব্যক্তিক হত্যা কৰিব বিচাৰিছা যিজনে কেৱল এয়া কয় যে আল্লাহ মোৰ প্ৰভু।

তেখেতে তোমালোকৰ পৰা কোনো সম্পত্তি বিচৰা নাই তেন্তে তেখেতক কিয় হত্যা কৰিব বিচৰা। চাহাবা সকলে কয় যে আমি আমাৰ যুগত সকলোতকৈ বেছি বীৰত্ব হজৰত আবু বক্কৰ (ৰাঃ)ক ভাৱিছো, কাৰণ শত্রু সকলে জানিব পাৰিছিল যে যদি হজৰত মহম্মদ (ছাঃ)ক হত্যা কৰিব পাৰো তেন্তে ইছলাম নাইকিয়া হৈ যাব, আৰু আমি সদায় দেখিছিলো যে হজৰত আবু বক্কৰ (ৰাঃ)য়ে সদায় ৰছুলুল্লাহ (ছাঃ)ৰ কাষত গৈ থিয় হৈ থাকিছে, এই কাৰণে যে যদি কোনোবাই তেখেত (ছাঃ)ৰ ওপৰত আক্রমণ কৰিব বিচাৰে তেতিয়া তেখেত (ৰাঃ)য়ে তেখেত (ছাঃ)ৰ সন্মুখত আহি নিজৰ বুকুখন ৰাখি দিব পাৰে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে যিদৰে জিব্রাইল বায়তুল মুকাদ্দছৰ ভ্ৰমণৰ সময় আঁহজৰত (ছাঃ)ৰ লগত আছিল এইদৰে প্রব্রজন কৰা সময়ত হজৰত আবু বক্কৰ (ৰাঃ) তেখেতৰ (ছাঃ)ৰ লগতে থাকিছে, অৰ্থাৎ হজৰত আবু বক্কৰ (ৰাঃ)য়ে সেইদৰে আনুগত্য কৰিছিল যিদৰে জিব্রাইল খোদা তা'লাৰ আনুগত্য কৰিছিল। জিব্রাইলৰ অর্থ খোদা তা'লাৰ বিশেষ বীৰুত্ববান হয়। হজৰত আবু বক্কৰ (ৰাঃ)ও আল্লাহ তা'লাৰ বিশেষ ভৃত্য আছিল আৰু ধৰ্মৰ বাবে এজন নিৰ্ভীক বীৰত্বৰ দক্ষতা ৰাখিছিল। আঁহজৰত (ছাঃ)য়ে নিজৰ মৃত্যুৰ পূৰ্বে হজৰত আয়শা (ৰাঃ)ক কৈছে যে মোৰ হৃদয়ত বাৰে বাৰে এই ইচ্ছা হয় যে মই লোক সকলক কৈ দিওঁ যে সিহঁতে মোৰ পিছত যেন আবু বক্কৰ (ৰাঃ)ক খলিফা নিৰ্বাচিত কৰে কিন্তু মই ৰৈ থাকো কাৰণ মোৰ হৃদয় জানে যে মোৰ মৃত্যুৰ পিছত খোদা তা'লা আৰু তাৰ মোমিন ভৃত্য সকলে হজৰত আবু বক্কৰ (ৰাঃ)ৰ বাহিৰে অইন কোনোবাক খলিফা নিযুক্ত নকৰিব অৰ্থাৎ এনেকুৱাই হৈছে।

হজৰত আবু বক্কৰ (ৰাঃ)য়ে নিজৰ জীৱনতেই যিবোৰ কাম কৰিছে সেই সমূহ তেখেতৰেই অংশ,অইন কোনোবাই সেই কাম কৰিব নোৱাৰিলে হয়। তেখেত (ৰাঃ) বৰ কোমল হৃদয়ৰ মানুহ আছিল কিন্তু ৰছুলে কৰিম (ছাঃ)ৰ মৃত্যুৰ পিছত যেতিয়া লোক সকলে জাকাত দিবলৈ অস্বীকাৰ কৰে; প্ৰায় গোটেই আৰব ধৰ্ম ত্যাগ কৰিছিল, এনেকুৱা সংকটময় সময়ত হজৰত উমৰ (ৰাঃ) আৰু আন আন চাহাবা সকলে এয়া কয় যে তেওঁলোকৰ সৈতে কোমলতাৰ আচৰণ কৰা হওঁক। প্ৰথমে কাফিৰ সকলক অধীনস্থ কৰা হওঁক তাৰ পিছত সিহঁতৰ সংশোধন হৈ যাব, কিন্তু হজৰত আবু বক্কৰ (ৰাঃ)য়ে কৈছে যে আবু কাহাফাৰ ল'ৰাৰ কি দক্ষতা আছে যে ৰছুলে কৰিম (ছাঃ)ৰ আদেশসমূহ পৰিৱৰ্তন কৰিব। মই তেওঁলোকৰ সৈতে সেই সময়লৈকে যুদ্ধ কৰিম যেতিয়ালৈকে সিহঁতে পৰিপূৰ্ণ জাকাত আদায় নকৰে। সেই সময়ত চাহাবা সকলে জানিব পাৰে যে খোদাই বনোৱা খলিফা কেনেকুৱা সাহস আৰু বীৰত্ববান হয়। অৱশেষত হজৰত আবু বক্কৰ (ৰাঃ)য়ে তেওঁলোকক নত কৰি লয় আৰু সিহঁতৰ পৰা জাকাত আদায় কৰে।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে চাহাবা সকলৰ অৱস্থা চাওঁক যেতিয়া পৰীক্ষাৰ সময় আহিলে তেতিয়া যিবোৰ সিহঁতৰ ওচৰত আছিল আল্লাহ তা'লাৰ বাটত বিসৰ্জন দিয়াৰ বাবে প্ৰস্তুত হৈ যায়। হজৰত আবু বক্কৰ (ৰাঃ)য়ে কম্বল পৰিধান কৰি আহি যায়, কেৱল এটা কম্বলেই পৰিধান কৰিছিল আৰু গোটেইবোৰ খোদা তা'লাৰ বাটত বিসৰ্জন কৰি দিয়ে তাৰ পিছত আল্লাহ তা'লাই তেখেতক প্ৰতিদান দিয়ে। আচল গুণ এয়াই যে আধ্যাত্মিক স্বোৱাদৰ ভাগীদাৰী হোৱাৰ বাবে সেই সম্পত্তি কামত আহিব পাৰে যিবোৰ খোদা তা'লাৰ বাটত খৰচ কৰা হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে শেষত কয় বাকী হজৰত আবু বক্কৰ (ৰাঃ)ৰ উল্লেখ আগলৈ চলিব।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّـئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ ۔ عِبَادَ اللّٰهِ رحمکم اللّٰه اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR aba 25 NOV 2022**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**